# অসম আদিত্য

RNI REGN. No.
epaper.a
Portal : www
e-mail : aso

■ ২৫ জেঠ, ১৯৪৬ শক ■ শনিবাৰ, ৮ জুন, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, June 8, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি



পুৰা সূৰ্যৰ পো
উপকাৰী। ইয়া
পৰিমাণে ভিটা
ফলত হাড়


# ড০ সমুদ্ৰগুপ্ত কাশ্যপলৈ অশ্বিনী চৰণ চৌধুৰী স্মাৰক বঁটা

## ৭৯ বছৰ গৰকিলে ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ে

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৭ জুন ঃ** ঐতিহ্যমণ্ডিত ডিএইচএছ কানৈ মহাবিদ্যালয়ে ১৫ জুনত ৭৯ বছৰত ভৰি দিব। এই উপলক্ষ্যে বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসটো উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। উল্লেখ্য যে ১৯৪৫ চনৰ ১৫ জুনত ডিব্ৰুগড় কলেজ হিচাপে মহম্মদ ফৈজনুৰ আলীয়ে বৰ্তমানৰ ডিএইচএছ কানৈ মহাবিদ্যালয়খনৰ শুভ উদ্বোধন কৰিছিল। ১৯৪৯ চনত ডিব্ৰুগড় কলেজ 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়' হিচাপে নতুনকৈ নামাকৰণ কৰা হয়। ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে (পাঁচ গৰাকী ছাত্ৰী) প্ৰথম নাম ভৰ্তি কৰা মহাবিদ্যালয়খনৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩,০০০ ৰো অধিক। ১৯৪৬ চনৰ মে' মাহত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি পোৱা মহাবিদ্যালয়খনে পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনলৈ যায়। ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা মহাবিদ্যালখনে উক্ত বিশ্ববিদ্যালয়খনৰ পৰা স্বীকৃতি লাভ কৰে। ক্ৰীড়া, শিক্ষা, সংগীত, কলা ইত্যাদি দিশত জন্মলগ্নৰে পৰা সমগ্ৰ দেশতে উজলি উঠা মহাবিদ্যালয়খনে ৭৯ বছৰত ভৰি দিয়াত মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যৰ লগতে ডিব্ৰুগড়বাসীও গৌৰৱান্বিত। অতীত গৌৰৱেৰে গৌৰৱান্বিত মহাবিদ্যালয়খনে ২০২০, ২০২২ আৰু ২০২৩ বৰ্ষত তিনিবাৰকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ সন্মান লাভ কৰিছে। ইতিমধ্যে মহাবিদ্যালয়খনে সেউজ মহাবিদ্যালয়, অসমৰ স্বচ্ছ মহাবিদ্যালয়ৰ সন্মান লাভ কৰাৰ উপৰি সৰ্বভাৰতীয় পৰ্যায়ত দ্বিতীয় শ্ৰেষ্ঠ স্বচ্ছ মহাবিদ্যালয়ৰ সন্মান লাভ কৰি গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে। ২০২৪ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান লাভ কৰাৰ উপৰি চলিত বৰ্ষতে মহাবিদ্যালয়খনক আমেৰিকাৰ নিউয়ৰ্কস্থিত পৃথিৱীৰ সকলো দেশৰে শক্তিশালী সংগঠন ৰাষ্ট্ৰসংঘৰ অধীনৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰই 'চেণ্টাৰ অৱ এক্সিলেঞ্চ' প্ৰদান কৰে। ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ১৫ জুনত অনুষ্ঠিত হ'বলগা ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকি 'অসমৰ অভিনৱ প্ৰতিৱেশীসকল' (Assam's Amazing Neighborhood) শীৰ্ষক বিষয়ত মননশীল বক্তৃতা প্ৰদান কৰিব নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ সমুদ্ৰগুপ্ত কাশ্যপে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া অনুষ্ঠানটি উদ্বোধন কৰিব বিচিপিএলৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমায়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব নয়দাস্থিত জিএনআইঅ'টিৰ সঞ্চালক ড০ ভূপেন্দ্ৰ কুমাৰ সোম। উল্লেখ্য যে উক্ত অনুষ্ঠানতে নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ সমুদ্ৰগুপ্ত কাশ্যপক অশ্বিনী চৰণ চৌধুৰী স্মাৰক বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত ডিব্ৰুগড় চহৰৰ বহুকেইগৰাকী বয়োজ্যেষ্ঠ ব্যক্তিৰ লগতে ভালেসংখ্যক শিক্ষাসদী ব্যক্তি উপস্থিত থাকিব। উদ্‌যাপন সমিতিয়ে সমূহ শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে।